অথবা

(খ) ''ড. বাণীকান্ত কাকতিৰ গদ্যৰীতিৰ অন্যতম বৈশিষ্ট্য হৈছে সংক্ষিপ্ততা, সৰসতা আৰু শব্দ-বাক্য প্ৰয়োগৰ যথোপযুক্ততা।'' ড. কাকতিৰ দ্বাৰা ৰচিত প্ৰবন্ধৰ সহায়ত এই মন্তব্যটি হয় মণ্ডন কৰা, নহয় খণ্ডন কৰা।

৩। (ক) এখনি সাৰ্থক উপন্যাস হিচাপে বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনিৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱা। ১৬

অথবা

(খ) ''চৈয়দ আব্দুল মালিকৰ উপন্যাসসমূহৰ ভিতৰত 'সূৰ্যমুখীৰ স্বপ্ন' নামৰ উপন্যাসখনেই শ্ৰেষ্ঠ।'' এই মন্তব্যটি তুমি সমৰ্থন কৰা নে নকৰা? যদি নকৰা, কি কাৰণে নকৰা আৰু যদি কৰা, কি কাৰণে কৰা তাৰ যুক্তিনিষ্ঠ কাৰণ দৰ্শোৱা।

৪। (ক) চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? চুটিগল্প আৰু সাধুকথাৰ মাজত কিবা সম্পৰ্ক দেখুৱাব পাৰিনে? প্ৰথম অসমীয়া চুটিগল্প লেখকগৰাকীৰ নাম কি? তেওঁৰ চুটিগল্পৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা। ১৬

অথবা

(খ) তলৰ যি কোনো দুটাৰ বিষয়ে বহলাই আলোচনা কৰা : ৮×২=১৬

(১) 'কাশীবাসী' গল্পত ইংগিতধৰ্মিতা

(২) 'ঢোৰাসাপ' গল্পৰ নায়ক

(৩) 'এখন নদীৰ মৃত্যু'ত সামাজিক প্ৰতিফলন

(৪) আধুনিক অসমীয়া চুটিগল্পত জীৱনবোধ

৫। তলৰ যি কোনো চাৰিটাৰ বিষয়ে চমুকৈ লিখা : ৪×৪=১৬

(ক) ড. কাকতিৰ 'নাৰী হৃদয়' নামৰ প্ৰবন্ধ

(খ) ভাস্কৰ গুৰু

(গ) শ্ৰীবৎস-কৌস্তুভ-বনমালা যুক্ত

(ঘ) যোগী

(ঙ) নিৰ্গুণ ব্ৰহ্ম

(চ) জড়দেহ

(ছ) ভাগৱত বক্তা শুকমুনি

(জ) বোকণ্ডাধেনু

(ঝ) সৰ্ব্বজয় আতৈ